**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 16-08-2025 **Time :** 07-55 Hrs.

## Assamese Morning Bulletin

সমগ্ৰ ৰাজ্যতে কালি শান্তিপূৰ্ণভাৱে স্বাধীনতা দিৱস উদযাপন কৰা হয়। বিভিন্ন প্ৰান্তত কিছু ব্যতিক্ৰমীভাৱে স্বাধীনতা দিৱস পালন কৰাৰ উপৰি এই দিৱস উপলক্ষে খেল-ধেমালিকে ধৰি অন্যান্য কাৰ্যসূচী অনুষ্ঠিত হয়।

স্বাধীনতা দিৱসৰ লগত সংগতি ৰাখি প্ৰতি বছৰৰ দৰে এইবাৰো শিলচৰৰ মধুৰবন্দৰ কাছাৰ স্পোৰ্টিং ক্লাবে বৰাক নদীত নাও খেল প্ৰতিযোগিতাৰ আয়োজন কৰে। স্থানীয় ভাষাত নাও বাইচ হিচাপে পৰিচিত এই পৰম্পৰাগত নাও খেল উপভোগৰ বাবে কালি বৰাক নদীৰ পাৰত বহুসংখ্যক লোক সমবেত হয়। এইবাৰৰ প্ৰতিযোগিতাত বৰাক উপত্যকাৰ ৩ খন জিলাৰ উপৰি উজনি অসমৰ বিভিন্ন স্থানৰ প্ৰতিযোগীসকলে অংশগ্ৰহণ কৰে।

মৰিগাঁৱৰ পবিতৰা বন্যপ্ৰাণী অভয়াৰণ্যত স্বাধীনতা দিৱস উপলক্ষে বিভিন্ন কাৰ্যসূচী পালন কৰা হয়। পতাকা উত্তোলনৰ পাছত বন কৰ্তৃপক্ষই অভয়াৰণ্যৰ পৰা এটা মটৰ চাইকেল সমদল উলিয়ায়।  দুপৰীয়াৰ ভাগত হাদুক বিলত বনৰক্ষী বাহিনী, মাউট আৰু অন্যান্য  কৰ্মচাৰীসকলৰ মাজত নাওখেল প্ৰতিযোগিতাৰ আয়োজন কৰা হয়।

৭৯ সংখ্যক স্বাধীনতা দিৱসৰ লগত সংগতি ৰাখি অসম কেন্সাৰ কেয়াৰ ফাউণ্ডেছনে কালি ‘সহযোগ’ শীৰ্ষক এটা বিশেষ কাৰ্যসূচী আৰম্ভ কৰে। কৰ্কট ৰোগীসকলৰ যত্ন তথা এই ৰোগ নিৰাময়ৰ ক্ষেত্ৰত  তেওঁলোকক সকলো সময়তে সাহস আৰু সমৰ্থনেৰে সহায় আগবঢ়োৱা পৰিয়ালৰ সদস্যসকলৰ প্ৰতি সন্মান জনায় অসম কেন্সাৰ কেয়াৰ ফাউণ্ডেছনে ৰাজ্যৰ ৯ খন চিকিৎসালয়ত এই পদক্ষেপ আৰম্ভ কৰিছে। লখিমপুৰ জিলাত অসম কেন্সাৰ কেয়াৰ ফাউণ্ডেচনে আয়োজন কৰা বিশেষ কাৰ্যসূচীত জিলাখনৰ কৰ্কট ৰোগৰ পৰা আৰোগ্য লাভ কৰা লোকসকলে একত্ৰিত হৈ পতাকা উত্তোলন কৰে। ইয়াৰ জৰিয়তে এই ৰোগত আক্ৰান্ত হৈ থকা আন লোকসকলৰ মনোবল আৰু উৎসাহ বৃদ্ধিৰ শক্তিশালী বাৰ্তা প্ৰেৰণ কৰা হয়।

oooooooo

নাগালেণ্ডৰ ৰাজ্যপাল লা গণেশনৰ কালি সন্ধিয়া চেন্নাইৰ এখন চিকিৎসালয়ত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৮০ বছৰ। জ্যেষ্ঠ বিজেপি নেতা লা গণেশনক ২০২৩ চনৰ ফেব্ৰুৱাৰীত নাগালেণ্ডৰ ৰাজ্যপাল হিচাপে নিয়োগ কৰা হৈছিল। ইয়াৰ পূৰ্বে তেওঁ মণিপুৰৰ ৰাজ্যপাল আৰু পশ্চিমবংগৰ অতিৰিক্ত ৰাজ্যপাল হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। চেন্নাইত আজি বিয়লি  পাঁচ বজাত তেওঁৰ অন্ত্যেষ্টিক্ৰিয়া সম্পন্ন কৰা হ'ব। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰাজ্যপালগৰাকীৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰিছে। শ্ৰীমতী মুৰ্মুৱে এটা বাৰ্তাত প্ৰয়াত গণেশনৰ দীঘলীয়া আৰু সমৰ্পিত জনসেৱাক স্মৰণ কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এটা শোকবাৰ্তাত কয়, যে ৰাষ্ট্ৰ নিৰ্মাণ আৰু জনসেৱাত জীৱন উৎসৰ্গা কৰা শ্ৰী গণেশন সদায় এগৰাকী জাতিয়তাবাদী ব্যক্তি হিচাপে স্মৰণীয় হৈ ৰ'ব। প্ৰধানমন্ত্ৰীগৰাকীয়ে লগতে প্ৰয়াত গণেশনৰ পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰে।

oooooooo

ভৈয়াম জনজাতি আৰু পিছপৰা শ্ৰেণীৰ কল্যাণ মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে কালি লখিমপুৰ জিলাৰ নাওবৈচা সমষ্টিৰ তেলাহী খণ্ডৰ অন্তৰ্গত কলিতা গাঁৱত পঞ্চায়ত প্ৰতিনিধিসকলৰ এখন সভাত ভাগ লয়। সভাত সাংসদ প্ৰদান বৰুৱা আৰু বিধায়ক নৱ কুমাৰ দলে উপস্থিত থাকে। এই সভাতে অহা ২৯ আগষ্টত গৃহমন্ত্ৰী অমিত শ্বাহৰ পঞ্চায়ত সন্মিলনত অংশগ্ৰহণ আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ জন্মদিন উপলক্ষে ১৭ ছেপ্তেম্বৰৰ পৰা পালন কৰিবলগীয়া সেৱা

সপ্তাহৰ প্ৰস্তুতি সন্দৰ্ভত আলোচনা কৰা হয়। ডাঃ পেগুৱে পঞ্চায়ত প্ৰতিনিধি তথা দলীয় কৰ্মকৰ্তাসকলক তেওঁলোকৰ সক্ৰিয় অংশগ্ৰহণেৰে এই কাৰ্যসূচী সফল কৰি তোলাৰ বাবে সাংগঠনিক পৰ্যায়ত সাজু হ'বলৈ আহ্বান জনায়।

হোজাই জিলাতো কালি আৰৰ্ত ভৱনত অনুষ্ঠিত এখন সভাত মন্ত্ৰী কেশৱ মহন্তই প্ৰধানমন্ত্ৰী আৰু গৃহমন্ত্ৰীৰ অসমৰ ভ্ৰমণৰ সৈতে জড়িত বিভিন্ন কাৰ্যসূচীৰ প্ৰস্তুতিৰ পৰ্যালোচনা কৰে।

০০০০০০০০

গোলাঘাট জিলাৰ অসম-নাগালেণ্ড সীমান্তৰ মেৰাপানীত বনভোজ খাবলৈ যোৱা তিনিজন যুৱকক কালি নগা দুৰ্বৃত্তই আক্ৰমণ কৰে। আমাৰ গোলাঘাটৰ সংবাদদাতাই জনোৱা মতে দুৰ্বৃত্তই এজন যুৱকক এয়াৰ গানেৰে গুলীওৱাৰ লগতে আন দুজনক প্ৰহাৰ কৰে। কদমগুৰি অঞ্চলৰ সমীপৰ ৰুণী বস্তিত বনভোজ খাই উভতি অহাৰ সময়তে নগা দুৰ্বৃত্তই তেওঁলোকক আক্ৰমণ কৰে। এই ঘটনাৰ পৰিপ্ৰেক্ষিতত বহুকেইটা সংগঠনে মেৰাপানী সীমান্তত নগা লোকৰ প্ৰৱেশ নিষিদ্ধ কৰিছে বুলি আমাৰ সংবাদদাতাই জনাইছে।

০০০০০০০০

ডিব্ৰুগড় জিলাৰ দিনজয় চাহ বাগিচাত অচিন ৰোগত আক্ৰান্ত হৈ কালি শিশুকে ধৰি পাঁচজন লোকৰ মৃত্যু হয়। সাধাৰণ শৌচ, বমি হৈ এনেদৰে পাঁচজন লোকৰ মৃত্যু হোৱাক লৈ বাগিচা কৰ্তৃপক্ষৰ লগতে শ্ৰমিকসকলে উদ্বেগ প্ৰকাশ কৰিছে। চাহ শ্ৰমিকসকলে বাগিচাখনত উপযুক্ত চিকিৎসা আৰু যাৱতীয় ব্যৱস্থা নথকাৰ অভিযোগ কৰিছে। শ্ৰমিকসকলে লগতে মৃত্যুৰ কাৰণ সন্দৰ্ভত তদন্ত কৰিবলৈ চাহ বাগিচা কৰ্তৃপক্ষক দাবী জনাইছে।

০০০০০০০০

গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ শ্ৰীশ্ৰী মাধৱদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত আয়োজিত পৰাক্ৰমী পূৰ্বোত্ত নাট মেলাত আজি সন্ধিয়া পাঁচ আৰু চাৰে সাত বজাত নাট্যকাৰ-পৰিচালক মৃণাল কুমাৰ বৰাৰ গোভাৰজা ছত্ৰচিং- অপ্ৰতিৰোধ্য দেওৰজা শীৰ্ষক নাটখন মঞ্চস্থ কৰা হ'ব। নগাঁৱৰ ৰংগালয় গোষ্ঠীয়ে এই নাটখন পৰিৱেশন কৰিব।

উল্লেখযোগ্য যে কলাক্ষেত্ৰত কালিৰে পৰা ২১ আগষ্টলৈ পৰাক্ৰমী পূৰ্বোত্তৰ নাট মেলাৰ আয়োজন কৰা হৈছে। স্বাধীনতা সংগ্ৰামৰ উত্তৰ-পূৰ্বাঞ্চলৰ সংগ্ৰামীসকলৰ প্ৰতি শ্ৰদ্ধাৰ্ঘ্য জনোৱাৰ উদ্দেশ্যে ৰাজ্য চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত এই নাটমেলাৰ আয়োজন কৰা হৈছে। প্ৰতিদিনে সন্ধিয়া পাঁচ বজাৰ পৰা অনুষ্ঠিত এই নাটমেলাৰ বাবে শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ মূল প্ৰৱেশদ্বাৰত ১৮ আগষ্ট পৰ্যন্ত নিতৌ দিনৰ ১১ বজাৰ পৰা বিয়লি ৪ বজালৈ প্ৰৱেশ পত্ৰ সংগ্ৰহ কৰিব পাৰিব। ১২ বছৰৰ অনুৰ্ধ শিশুৰ প্ৰেক্ষাগৃহত প্ৰৱেশত বাধা থাকিব। এই নাটমেলাত কালি স্বাধীনতা দিৱসৰ দিনটোত হিল্লোল কুমাৰ পাঠকৰ **গোপীনাথ-যুগজয়ী স্বপ্নদ্ৰষ্টা** নাট মঞ্চস্থ কৰা হয়। অবিনাশ শৰ্মাই পৰিচালনা কৰা আৰু শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ সমাজে পৰিৱেশন কৰা এই মনোগ্ৰাহী নাটখনৰ দুটাকৈ দৰ্শনী অনুষ্ঠিত হয়। কালি দ্বিতীয় দৰ্শনীত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য উপস্থিত থাকে। ৰাজ্যপালগৰাকীয়ে কলাক্ষেত্ৰ সমাজৰ এই সজ প্ৰয়াসৰ সলাগ লয়। উল্লেখযোগ্য যে কালি নাট মঞ্চস্থ হোৱাৰ পূৰ্বে কলাক্ষেত্ৰ সমাজৰ সচিব সুদৰ্শন ঠাকুৰে অত্যাধুনিক প্ৰযুক্তি আৰু কৃত্ৰিম বুদ্ধিমত্তাৰ প্ৰয়োগেৰে প্ৰেক্ষাগৃহ পৰিসৰত আয়োজন কৰা স্বৰাজ পৰিক্ৰমা শীৰ্ষক প্ৰদৰ্শনী আৰু পূৰ্বৰংগ নামৰ কলাত্মক কাৰ্যসূচী মুকলি কৰে। পৰাক্ৰমী পূৰ্বোত্তৰ নাট মেলাত কাইলৈ মাংৰীমেম- সেউজী অগ্নিকন্যা, পৰহিলৈ ব্ৰজনাথ- বিপ্লৱী অগ্নিবীৰ, ১৯ আগষ্টত জ্যোতিপ্ৰসাদ-সংগ্ৰামী জ্যোতিশিখা, ২০ আগষ্টত অম্বিকাগিৰী- অনিৰ্বাপিত একুৰা জুই আৰু ২১ আগষ্টত চন্দ্ৰপ্ৰভা-মুক্তিৰ এটি গান শীৰ্ষক নাট পৰিৱেশন কৰা হ'ব।

০০০০০০০০

**সমাপ্ত**